সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩৪ সংখ্যা, ১২ ভাদ, ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 34 * Date Of Publication - 29August 2021 Rs. 5.00/-

## উত্তৰ-পূবে এক হৈ কাম কৰিলেহে ভাৰতৰ্বষৰ দ্ৰুত অৰ্থনৈতিক বিকাশ সম্ভৱ: সৰ্বানন্দ সোণোৱাল




বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মন্তব্য কৰি কয় যে উত্তৰ-পূবে এক হৈ কাম কৰিলেহে ভাৰতৰ্বষৰ দ্ৰুত অৰ্থনৈতিক বিকাশ সম্ভৱ হ'ব; সমান্তৰালভাৱে উত্তৰ-পূবে উন্নয়নৰ নতুন ইঞ্জিনৰূপে কাম কৰিব পাৰিব আৰু কেৱল উত্তৰ পূবেই নহয়, দেশৰ অৰ্থনৈতিক বিকাশত অৰিহণা যোগাবলৈ সক্ষম হ'ব। জলপথৰ জৰিয়তে কিদৰে উত্তৰ-পূবৰ বিকাশত নতুনত্ব প্ৰদান কৰিব পাৰি সেই সন্দৰ্ভত গুৱাহাটীত অনুষ্ঠিত হয় এক গুৰুত্বপূৰ্ণ সন্মিলন। খানাপাৰাস্থিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এই সন্মিলনত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত উত্তৰ-পূবে বিকাশৰ নতুন গতি লাভ কৰিছে। কংগ্ৰেছৰ শাসনকালত সকলোতকৈ অৱহেলিত স্থানৰূপে পৰিগণিত হৈছিল উত্তৰ-পূৰ্বাঞ্চল। কিন্তু ২০১৪ চনত প্ৰধানমন্ত্ৰী মোডীয়ে দায়িত্ব গ্ৰহণ কৰাৰ পাছতে পৰিৱৰ্তন সম্ভৱ হৈছে। ব্ৰিটিছৰ শাসনকালতে অসমৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ দেশৰ

*(ছয় পৃষ্ঠাত চাওক)*

## ভাৰতত এদিনত নতুনকৈ ৪০ হাজাৰতকৈও অধিক লোক কৰ'নাত আক্ৰান্ত



বাৰ্ত্তাসেৱা — স্বাস্থ্য বিভাগে সদৰী কৰা মতে, এটা দিনৰ ভিতৰতে ভাৰতত নতুনকৈ কৰ'না ভাইৰাছত সংক্ৰমিত হৈছে ৪৪, ৬৫৮ জন লোক। এই সময়ছোৱাত কেৰালাত দেশৰ ভিতৰতে সৰ্বাধিক ৩০ হেজাৰৰো অধিক লোক নতুনকৈ সংক্ৰমিত হৈছে। একেৰাহে

*(দুই পৃষ্ঠাত চাওক)*

## নন্দিতা শইকীয়াৰ হত্যাকাণ্ডক ফাষ্টট্ৰেক আদালতত বিচাৰৰ দাবী, অসম জনজাতীয় ছাত্ৰ সন্থা (আটছু)

অমৰজিৎ ৰাভা, ওদালগুৰি, বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় আটছু, সদৌ অসম জনজাতীয় ছাত্ৰ সন্থাৰ উদ্যোগত, মানৱৰূপী দানৱ ৰিণ্টু শৰ্মাই বৰ্বৰভাৱে যোৱা ২১ আগষ্ট তাৰিখ, শনিবাৰে ধেমাজী মৰিঢল মহাবিদ্যালয়ৰ পৰা দুগৰাকীকৈ ছাত্ৰী পৰিক্ষা দি ঘৰলৈ উভতা অৱস্থাত নন্দিতা শইকীয়া নামৰ প্ৰতিভাৱান ছাত্ৰী গৰাকীক দুৰ্বৃত্ত ৰিণ্টু শৰ্মাই চোকা অস্ত্ৰৰে প্ৰহাৰ কৰি নিৰ্মমভাৱে কৰা হত্যাকাণ্ডই মানৱ সমাজক লজ্জিত কৰা এক ঘৃণনীয় কাণ্ড। যি হত্যাকাণ্ডই সমগ্ৰ ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে।। "আৰু তেনে হত্যাকাণ্ডৰ মূল অভিযুক্ত ৰিণ্টু শৰ্মাক ফাষ্টট্ৰেক আদালতৰ জৰিয়তে বিচাৰ কৰি ফাঁচী দিয়াৰ দাবী জনোৱাৰ লগতে অসমত সঘনে সংঘটিত হৈ থকা ছাত্ৰ-ছাত্ৰী, কিশোৰী নিৰ্যাতন, হত্যাকাণ্ড, ইত্যাদি নিৰ্মূল কৰাৰ আহ্বানত কেইটামান দাবীৰে কেন্দ্ৰীয় জনজাতীয় ছাত্ৰ সন্থাৰ উদ্যোগত ধেমাজী জিলা উপায়ুক্তৰ জৰিয়তে ইং ২৬-০৮-২০২১ তাৰিখে, অসম চৰকাৰ তথা মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰদান। উল্লেখ্য যে দাবী (১) উক্ত নাৰকীয় কাণ্ডৰ এক উচ্চ পৰ্যায়ৰ তদন্ত হ'ব লাগে। দাবী (২) সভ্য সমাজক লজ্জিত কৰা ঘৃণনীয় কাণ্ডৰ মূল অভিযুক্ত দুস্কৃতিকাৰী মানৱৰূপী দানৱ ৰিণ্টু শৰ্মাক ফাষ্টট্ৰেকৰ জৰিয়তে বিচাৰ কৰি ফাঁচী দিয়াৰ দাবী। দাবী (৩) উচ্চ নাৰকীয় কাণ্ডত হত্যাৰ বলি হোৱা দুৰ্ভগীয়া ছাত্ৰী নন্দিতা শইকীয়াৰ পৰিয়ালক ক্ষতিপূৰণ হিচাপে চৰকাৰী সংস্থাপন দিয়াৰ লগতে ১৫ লাখ টকা আৰ্থিক সাহায্য প্ৰদান কৰাৰ দাবী। দাবী (৪) এনে ঘৃণনীয় কাণ্ড যাতে অসমত পুনৰাবৃত্তি নঘটে তাৰকাৰণে চৰকাৰ আৰু প্ৰশাসনক অধিক কঠোৰ হ'বলৈ আহ্বান জনোৱাৰ লগতে উল্লেখিত দাবীসমূহ নিৰ্দ্ধাৰিত সময় ৩ মাহৰ ভিতৰত কাৰ্যকৰী নহ'লে অথবা কাৰ্যকৰী গ্ৰহণত হেমাহি হলে নন্দিতা শইকীয়াৰ উচিত ন্যায়ৰ বাবে সদৌ অসম জনজাতীয় ছাত্ৰ সন্থাই গণতান্ত্ৰিক ভাৱে জংগী আন্দোলন গঢ়ি তোলাৰ কথা প্ৰকাশ কৰে।।



# নন্দিতা শইকীয়াৰ হত্যাকাণ্ডৰ তীব্ৰ বিৰোধিতাৰে নলবাৰীত এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী




ছাহিল মালিক, নলবাৰী বাৰ্তাসেৱা- চিলাপথাৰৰ মৰিচল মহাবিদ্যালয়ৰ ছাত্ৰী নন্দিতা শইকীয়াক বৰ্বৰোচিত আক্ৰমণৰ ফলত মৃত্যু হোৱা ঘটনাৰ ৰাজ্যজুৰি প্ৰতিবাদ অব্যাহত থকা সময়তে আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী জিলা সমিতিৰ অন্তৰ্গত জাতীয় মহিলা পৰিষদ, নলবাৰী জিলা সমিতিয়ে আজি নন্দিতা শইকীয়াৰ হত্যাকাণ্ডৰ তীব্ৰ বিৰোধিতা কৰি এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰে। নলবাৰী চহৰৰ এন.টি ৰোড স্থিত পৰিষদৰ নলবাৰী জিলা সমিতিৰ কাৰ্যালয়ৰ সন্মুখত দিনৰ ১ বজাৰ পৰা দুঘণ্টীয়া প্ৰতিবাদী কাৰ্যসূচীটোত জাতীয় মহিলা পৰিষদৰ প্ৰায় অৰ্দ্ধ শতাধিক মহিলা প্ৰতিবাদ কাৰীয়ে নন্দিতা শইকীয়াৰ হত্যাকাণ্ডৰ ক্ষীপ্ৰ তদন্ত কৰক, অসমত ক্ৰমান্বয়ে বৃদ্ধি পোৱা নাৰী নিৰ্যাতন ৰোধ কৰক, নাৰী সুৰক্ষা নিশ্চিত কৰক, জাতীয় মহিলা পৰিষদ জিন্দাবাদ আদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। জাতীয় মহিলা পৰিষদৰ নলবাৰী জিলা সমিতিৰ সভানেত্ৰী পম্পী দেৱী আৰু সম্পাদিকা যুতিকা শৰ্মাই অৱস্থান ধৰ্মঘট কাৰ্যসূচীত নাৰী নিৰ্যাতন ৰোধৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ সম্পূৰ্ণ ৰূপে ব্যৰ্থ হৈছে, ৰাজ্য চৰকাৰে সুকন্যা আঁচনি কিম্বা স্কুটি বিতৰণ কৰিলেই নাৰী সুৰক্ষিত নহয় বুলি কটাক্ষ কৰি বক্তব্য আগবঢ়ায়। ইয়াৰ পিছত নাৰী সুৰক্ষা তথা নাৰী নিৰ্যাতন কাৰীক ক্ষীপ্ৰতাৰে কঠোৰ শাস্তি বিহাৰ দাবী সম্বলিত এখন স্মাৰক পত্ৰ নলবাৰী জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে।

# ভাৰতত এদিনত নতুনকৈ ৪০ হাজাৰতকৈও অধিক লোক

দ্বিতীয় দিনৰ বাবে কেৰালাত দেশৰ ভিতৰতে সৰ্বাধিক লোক কৰ'নাত নতুনকৈ সংক্ৰমিত হয়। যোৱা ২৪ ঘণ্টাত কৰ'নাৰ সংক্ৰমণত দেশত প্ৰাণ হেৰুৱাইছে ৪৯৬জন লোকে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ তথ্য অনুসৰি দেশত বৰ্তমান কৰ'নাৰ সংক্ৰমণৰ ফলত চিকিৎসাধীন লোকৰ সংখ্যা হৈছেগৈ ৩, ৪৪, ৮৯৯জন। বিগত ২৪ ঘণ্টাত ভাৰতত কৰ'নাৰ সংক্ৰমণৰ পৰা সুস্থ হৈ উঠিছে অতি কমেও ৩২, ৯৮৮ জন লোক। যোৱা ২৪ ঘণ্টাত কেৰালাত নতুনকৈ কৰ'নাত সংক্ৰমিত হৈছে ৩০, ০০৭ জন লোক আৰু মৃত্যু ঘটিছে ১৬২জন লোকৰ। আনহাতে মহাৰাষ্ট্ৰত যোৱা ২৪ ঘণ্টাত ৫, ১০৮জন লোক নতুনকৈ সংক্ৰমিত হোৱাৰ বিপৰীতে মৃত্যু ঘটে ১৪৫জন লোকৰ। ইফালে দিল্লীত বৃহস্পতিবাৰে নতুনকৈ সংক্ৰমিত লোকৰ সংখ্যা ৪৫জনলৈ বৃদ্ধি পায় । অৱশ্যে দিল্লীত এই সময়ছোৱাত কোনো লোকৰ কৰনাৰ সংক্ৰমণত মৃত্যু ঘটা নাই।

# শুভ জন্মাষ্টমী

**সংযুক্তা দত্ত**



ভগৱান শ্ৰীকৃষ্ণৰ পৰা শিকিব লগীয়া ৫ টা কথা - ভগৱান শ্ৰীকৃষ্ণই জীৱনটোত বহুত কিবা কিবি হেৰুৱাইছিল প্ৰথমতে নিজৰ মাক দেউতাকক তাৰ পাছত নন্দ যশোদাক তাৰ পাছত ৰাধাক আকৌ তাৰ পাছত গকুল আৰু মথুৰা। জীৱনটোত কিবা নহয় কিবা হেৰুৱাইছিল। কিন্তু হেৰুৱা নাছিল শ্ৰীকৃষ্ণৰ সকৰাত্মকতা আৰু ভগৱান শ্ৰীকৃষ্ণৰ হাঁহি। ইয়াৰ পৰাই আমি বুজো যে আমি জীৱনৰ যিকোনো পৰিস্থিতি তে ভাল চিন্তা কৰিব লাগে আৰু হাঁহি থাকিব লাগে।

১) কৰ্ম কৰা ফলৰ আশাবাদ দিয়া - যেতিয়া অৰ্জুনে যুদ্ধক্ষেত্ৰত আপোন মানুহ খিনিক দেখি যুদ্ধ নকৰো বুলি যুদ্ধক্ষেত্ৰ ত্যাগ কৰিব খুজিছিল তেতিয়া শ্ৰীকৃষ্ণই কৈছিল - কৰ্মৰ ওপৰত মন দিয়া সেই ফলৰ আশাবাদ দিয়া। ঠিক তেনেদৰেই আমি কিবা এটা কাম কৰিলে সেই কামটো ভালকে কৰিব লাগে তাৰ ফলৰ কথা চিন্তা কৰিব নালাগে, কাৰণ - কৰ্ম ভাল হ'লে তাৰ ফলো নিশ্চয় ভাল হয়।

২) পৃথিৱীত যি হয় তাৰ পিছত কিবা এটা কাৰণ থাকে -- যদি কিবা আমাৰ লগত বেয়া হয় তেতিয়া আমি ভগৱানক চিন্তা কৰো। যদি বেয়া হয় তেতিয়া সেয়া আমাৰ কৰ্মৰ ফল কিয়নো আমি নিজেই সেয়া আকৌ ঘূৰিই পাওঁ।

৩) বৰ্তমানত জীয়াই থাকক -- বৰ্তমানত থাকিবলৈ যত্ন কৰক, ভৱিষ্যতে যি হয় দেখা যাব।

৪) নিজৰ খং নিজৰ অধীনত ৰাখক । কাৰণ - খংঙে ভ্ৰমৰ সৃষ্টি কৰে, ভ্ৰমে বুদ্ধিক শেষ কৰি দিয়ে, যেতিয়া বুদ্ধি শেষ হ'ব তেতিয়া মানুহৰ সকলো শেষ হৈ যাব।

৫) কোৱা হয় যে -- পাণ্ডৱহে মহাভাৰতৰ যুদ্ধত জয় হৈছিল কিন্তু নহয় সাৰথি ভগৱান শ্ৰীকৃষ্ণই যুদ্ধ নকৰাকৈয়ে যুদ্ধত জয় হৈছিল। ইয়াৰ জনা যায় যে কামৰ কোনো সৰু বৰ নাই।

# "পৰাধীন স্বাধীনতা"

**প্ৰসেনজিৎ**



বাকৰুদ্ধ আমিবোৰ
বোকোচাত প্ৰতিবাদৰ টোপোলা
খোজে খোজে মাথো কাঁইটৰ চুমা
অবদমিত আৰ্তনাদে ঘুমুটিয়াই ফুৰিছে
বুকুৰ ভিতৰত
উশাহ বুলিবলৈ বিষবাষ্প সিঁচিছে, পানীত
মিলাইছে কেঁচা তেজ
ভোক বুলিলত খাবলৈ দিছে স্বজাতিৰ মঙহ
আৰু তেওঁলোকে শগুণৰ দৰে পৰ দিছে
আমাৰ মৃত্যুলৈ
সকলোৰে অৱস্থান কৰিছে এক নিৰাপদ দূৰত্বত
আৰ্তনাদৰ শব্দই যাতে কঁপাব নোৱাৰে বিবেক।
নোৱাৰে কঁপাব বিবেক,
কাৰণ ৰাজনীতিৰ ৰঙীন চশমা পিন্ধা
তেওঁলোকে কেৱল মোহাচ্ছন্ন।
মৃতদেহৰ ওপৰেদি পাৰ হয় স্বাধীনতা।
স্বাধীনবোৰৰ অস্ত্ৰ গণতন্ত্ৰ।
গণতন্ত্ৰত বিলোপ সংবিধান।
আমিবোৰ এতিয়াও স্বাধীন,
মাথো পৰাধীন স্বাধীনতা।

# একবিংশ শতিকাৰ সভ্য সমাজতো মহিলা যুৱতীৰ ওপৰত এনে নৃশংসতা (চিন্তনীয়)

**মানসী মিশ্ৰ**

সঁচাকৈয়ে ঘটনাবোৰ এনেকৈয়ে ঘটি যায়। মানুহৰ হৃদয়বোৰ ভাঙি থৈ যায়, একোটা পৰিয়াল নিঃশেষ কৰি থৈ যায় পৰিয়ালবোৰে। হয়তো নন্দিতা শইকীয়া নামৰ মৰমলগা প্ৰতিভাৱান ছাত্ৰীগৰাকীৰ এই ভয়াবহ ঘটনাও এইদৰেই ঘটি গ'ল সমাজখনত যিটো ঘটনাৰ নিষ্ঠুৰতাই সমগ্ৰ সমাজখনকেই চুই গৈছে, জোকাৰি গৈছে সকলো সচেতন ব্যক্তিৰ বিবেক আৰু মন। কোনো দোষ নথকাকৈ, কোনো অপৰাধ নকৰাকৈ এগৰাকী নিৰ্দোষী ছাত্ৰীয়ে অকালতে পৃথিৱীৰ পৰা বিদায় লব লগীয়া হোৱাতো যে কিমান দুখজনক, কিমান বেদনাদায়ক সেয়া সকলোৱে উপলব্ধি কৰিব পাৰিছে। এক সম্ভাৱনা লৈ তাই পৃথিৱীলৈ আহিছিল। এপাহি ৰঙা গোলাপ হৈ তাই ফুলিব খুজছিল। কিন্তু কালৰ কুটিল হাতোৰাৰ চেপাত তাই সম্পূৰ্ণ ৰঙা গোলাপ হৈ ফুলিবলৈ নাপালেই। ৰঙা গোলাপৰ কলিটি আধাতে মৰহি গ'ল। এটি সম্ভাৱনাৰ অকাল মৃত্যু হ'ল। ৰাজ্যখনে হেৰুৱালে এক মানৱ সম্পদক। সৰুৰে পৰাই অত্যন্ত মেধাৱী নন্দিতা সেয়েহে সুখ্যাতিৰে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ স্থানীয় মহাবিদ্যালয়খনত মেজৰ বিষয়ৰ পাঠ্যক্ৰম নথকা হেতুকে আঁতৰৰ মৰিঢল মহাবিদ্যালয়লৈ গৈছিল নিজৰ সপোন পূৰাবলৈ। হিন্দী বিষয়ক মেজৰ পাঠ্যক্ৰম হিচাপে লৈ অধ্যয়ন কৰি আছিল। কেৱল যে পঢ়াশুনাতে বুৎপত্তি লাভ কৰিছিল এনে নহয়। সৰুৰে পৰাই লেখা মেলা, কবিতা আবৃত্তি, সংগীত সকলোতে পাৰদৰ্শিতা দেখুৱালৈ সক্ষম হৈছিল। নিজৰ একান্ত ধাউতিৰ বাবেই কষ্ট কৰি হলেও বান্ধৱী গৰাকীৰ সৈতে আঁতৰৰ মহাবিদ্যালয়খনলৈ একান্ত ইচ্ছাৰে অধ্যয়ন কৰিবলৈ গৈছিল। সিদিনাও বুকুত অলেখ সপোন লৈ, মুখত এমুকুৰা হাঁহি লৈ মহাবিদ্যালয় লৈ গৈছিল। দেউতাকৰ সাধাৰণ এখন দোকান আৰু মাকৰ তাঁত শালখনেই আছিল পৰিয়ালটোৰ উপাৰ্যনৰ সম্বল। তথাপি নিজে কষ্ট কৰি হলেও তেওঁলোকৰ অন্যন্ত আদৰৰ জীয়ৰী নন্দিতাৰ সপোনবোৰ সাৰ্থক কৰাৰ চেষ্টা কৰিছিল তেওঁলোকে। এনেদৰে সুন্দৰকৈ পাৰ হৈ গৈ আছিল তেওঁলোকৰ হেপাহৰ দিনবোৰ নন্দিতাৰ মনতো আছিল অলেখ আশা, অযুত সপোন। কিন্তু এজাক কাল ধুমুহাই সকলো সপোন নিমিষতে ছাৰখাৰ কৰি পেলালে। এনেকুৱা ঘটনা



একোটাই আজি একবিংশ শতিকাৰ মানুহক লজ্জানত কৰিছে। বান্ধৱীৰ সৈতে পৰীক্ষা দিবলৈ ওলাই যোৱা হাঁহি মুখিয়া ছোৱালীজনীয়ে যে পৰীক্ষা দি উঠি ঘৰলৈ উভতাৰ পথত ঘাতকৰ দাৰ ঘাপত বেহুচ হৈ পৰি যাব, তেনে এক শিহৰণকাৰী কথা ভাবিবলৈও ভয়লগা দেখোন। সফলতাৰে পৰীক্ষা সমাপ্ত কৰি বান্ধৱী কাশ্মীৰীৰ সৈতে বাছত উঠি ঘৰলৈ উভতিছিল নন্দিতাই। পৰীক্ষা দি ভাগৰ লাগি অহা বাবেই ধেমাজি টাউনৰ এখন ৰেষ্টুৰেণ্টত চাহ খাবলৈ সোমাইছিল বান্ধৱী নন্দিতাৰ সৈতে। কিন্তু সেই সময়তে সেই এই মৰ্মান্তিক ঘটনাটো সংঘটিত হৈছিল। একে মহাবিদ্যালয়তে কৰ্মচাৰী হিচাপে কাম কৰা ৰিণ্টু শৰ্মা নামৰ এই ঘাটকজনৰ উপৰ্য্যুপৰি দাঁৰ কোবত দুয়োগৰাকী ছাত্ৰীয়ে মাটিত ঢলি পৰিছিল। নন্দিতা শইকীয়াৰ ওপৰত হোৱা এই আঘাত আছিল অত্যন্তই গুৰুতৰ। সংজ্ঞাহীন অৱস্থাত নন্দিতাক ডিব্ৰুগড়ৰ ব্ৰহ্মপুত্ৰ নাৰ্ছিংহমত ভৰ্ত্তি কৰা হৈছিল। কিন্তু চিকিৎসকৰ সকলো চেষ্টাক অসাৰ প্ৰতিপন্ন কৰি নন্দিতাই চিৰদিনলৈ চকুমুদিলে। অত্যন্ত ৰক্তক্ষৰণৰ সন্মুখীন হোৱা নন্দিতাৰ মগজুৰ কোষসমূহো বিকল হৈ গৈছিল, চিকিৎসকে জানিবলৈ দিয়া মতে। সেয়েহে আটাইকেইটা দিন নন্দিতাই অতি জটিল অৱস্থাত মৃত্যুৰ সৈতে যুজঁ দি আছিল। একবিংশ শতিকাৰ সভ্য নামধাৰী মানুহে কৰা লজ্জাজনক ঘটনা এয়া। আটাইতকৈ ডাঙৰ কথাটো হ'ল যে শইকীয়াৰ লগত সংঘটিত হোৱা এই ঘটনাটোৱে কিন্তু আমাৰ সমাজখনত প্ৰথম ঘটনা নহয়। বছৰটোৰ প্ৰায় ৩৬৫ টা দিনতেই এনে ঘটনা সংঘটিত হৈ আছে বুলি কলে নিশ্চয় ভুল কৰা নহব। আজি কেইটামান বছৰৰ পৰা মহিলাৰ ওপৰত সংঘটিত হোৱা সকলো ধৰণৰ নিৰ্যাতন বিশেষকৈ যৌন উৎপীড়ণ, ধৰ্ষণ, অপহৰণৰ ঘটনা, প্ৰেম প্ৰস্তাৱ প্ৰত্যাখান কৰিলেই এচিড আক্ৰমণকে আদি কৰি বিভিন্ন ধৰণৰ মহিলা উৎপীড়ণ সম্পৰ্কীয় ঘটনাবোৰ আমাৰ সমাজত অতি ভয়াবহৰূপত বৃদ্ধি পাবলৈ লৈছে। ঘটনাসমূহ আঁতিগুৰি বিচাৰি চালেই, কাৰণসমূহ ভালদৰে চালিজাৰি ফঁহিয়াই চালেই পুষতান্ত্ৰিক সমাজখনৰ হেঁচা বা পীড়ণৰ স্পষ্টতা দেখিবলৈ পাঁও। তিনি বছৰমান আগতে গুৱাহাটী কে. চি. দাস কমাৰ্চ কলেজৰ শ্বেতা আগৰৱালা নামৰ অত্যন্ত মেধাৱী ছাত্ৰী গৰাকীক এগৰাকী যুৱকে প্ৰেমৰ প্ৰস্তাৱ প্ৰত্যাখান কৰা বাবেই গাত এচিড ঢালি, গাত জুই লগাই হত্যা কৰিছিল। কেইটামান বছৰ আগতে ডিব্ৰুগড়ৰতে অসম চিকিৎসা মহাবিদ্যালয়তে এগৰাকী চতুৰ্থ বৰ্গৰ অস্থায়ী কৰ্মচাৰীয়ে যৌন উৎপীড়ণ চলাই হত্যা কৰিছিল। প্ৰায় দুবছৰ আগতে নগাওঁ জিলাৰ বটদ্ৰৱা থানাৰ অন্তৰ্গত ধনীয়া ভেটিত এগৰাকী


*(পাঁচ পৃষ্ঠাত চাওক)*

# "মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱ"

**লক্ষ্যধৰ দাস**

শঙ্কৰ মাধৱ অভেদ ঈশ্বৰ
গুৰু নাহি দুইতপৰ ।
দুহান নামক কীৰ্ত্তন কৰিয়া
কৃত কৃত হোৱে নৰ ।।
(ন-ঘোষা, পুৰুযোত্তম ঠাকুৰ)

যি যাৰ জীৱন-চৰিত্ৰ লেখে লিখকজন সেইজনৰ প্ৰতি শ্ৰদ্ধাবান নহলে, তেওঁ লেখা কথাত প্ৰাণ নাথাকে; কাৰণ তেওঁৰ বিচাৰ-বিবেচনা আৰু দৃষ্টি সেইজনৰ ওপৰত প্ৰায়ে বেঁকা হৈ পৰে। পিতা-মাতাৰ মহত্ব, মহানুভৱতা, অন্তৰৰ কমনিয়তা, উদাৰতা সন্তানৰ বাহিৰে কোনে সুন্দৰকৈ সৰ্বোতভাৱে প্ৰকৃতৰূপে বুজিব? শংকৰদেৱক বুজিবলৈ মাধৱদেৱ আৰু নাৰায়ণ ঠাকুৰক লাগে; মাধৱদেৱক বুজিবলৈ মথুৰা দাস আৰু বদুলা আতাক লাগে আৰু শ্ৰীমদ্ভাগৱত বুজিবলৈ ব্যাসদেৱ আৰু শুকদেৱক লাগে । যিজনৰ বা যি বিষয়টোৰ মৰ্ম বুজিব খোজা, সেইজনৰ বা সেই বস্তুটোৰ প্ৰতি তোমাৰ প্ৰকৃত শ্ৰদ্ধা আৰু ভক্তি নহ'লে তাৰ মৰ্মত প্ৰৱেশ কৰি তাক ঠিককৈ কেতিয়াও বুজিব নোৱাৰা এইটো নিশ্চিত। এই বাবেহে শ্ৰীমদ্ভাগৱত বুজাৰ সম্পৰ্কে ব্যাসদেৱে কৈছিল "ভক্ত্যা ভগবতং বেত্তি নচ টীকয়া।" — সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে শ্ৰী শ্ৰী মাধৱদেৱ গ্ৰন্থৰ পাতনিতে উপৰোক্ত কথাখিনি উল্লেখ কৰিছে। শ্ৰীমদ্ভাগৱত শাস্ত্ৰ পঢ়ি তাৰ মৰ্ম বুজা সকলোৰে পক্ষে সহজসৈধ্য নহয় সেয়েহে মহাপুৰুষ গুৰু দুজনাই ভগৱত অসমীয়ালৈ অনুবাদ কৰি সকলোৱে হৃদয়ংগম কৰিব পৰাকৈ সহজসাধ্য কৰি তুলিছে। মহাপুৰুষ মাধৱদেৱ গুৰুজনাই মাহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ আজ্ঞা অনুসৰি 'নামঘোষা' ৰচনা কৰি পৃথিৱীৰ সমস্ত ধৰ্মগ্ৰন্থৰ সাৰমৰ্ম নামঘোষাত সন্নিৱিষ্ট কৰিছে। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱ আছিল অভেদ আত্মা। পৰম শিষ্য মাধৱদেৱ গুৰু শংকৰদেৱৰ সেৱক হিচাপে শ্ৰদ্ধা আৰু ভক্তিৰে গুৰুসেৱা কৰি গৈছিল। কিন্তু শংকৰদেৱে মাধৱদেৱক নিজৰ শিষ্যতকৈ পৰম বান্ধৱ জ্ঞান কৰিছিল। মাধৱ গুৰুসেৱাৰ বাবে অহাত শংকৰদেৱক কন্যাই গৈ ক'লে, "পিতা তোমাৰ মাধৱ বন্ধৱ আহিছে।" মাধৱদেৱক বান্ধৱ বুলি কোৱা শুনি আপ্লুত হৈ শংকৰদেৱে জীয়েকক মৰমেৰে ক'লে, " আই তুমি মাধৱক মোৰ বান্ধৱ বুলি জানিলা; তুমি ধন্যা।" - "ধন্য ধন্য আই তুমি দুহিত্ৰী জন্মিলা। মাধৱক জানি তুমি সাৰ্থক লভিলা" ইয়াৰ উপৰিও শংকৰদেৱ তীৰ্থলৈ যাওতে যি স্থানত নিশা থাকে তাত মাধৱদেৱকো একেলগে শয়ন কৰিব দিলে, মাধৱদেৱে গুৰুক সকলো যা যোগাৰ কৰি দি তলত শয়ন কৰি কয়, "বাপ এনে কথা নুবুলিব, এই অধম আপোনাৰ লগত শয়ন কৰিবৰ পাত্ৰ নহওঁ।" গুৰুজনে হাস্য কৰি ক'লে, "বঢ়াৰ পো তোমাৰ আমাৰ ভিন্ন ভাব নাই; একো সংশয় কৰিব নালাগে।"- মাধৱ দেৱৰ দৰে এজন বিদগ্ধ পণ্ডিতৰ এনে গুৰু ভক্তি, গুৰু সেৱা আৰু দাস্যবিনয় ভাব ভক্তি (বৈষ্ণৱ) ধৰ্মত শিকিবলগীয়া মূল



কথা। ভকত আৰু ভগৱন্ত অভিন্ন, গুৰুজনে সদায়ে মাধৱদেৱক ওপৰত ৰাখিছিল। গুৰু শিষ্যৰ শ্ৰদ্ধা ভক্তিৰ এনে বৰ্ণনা 'গুৰু চৰিত' পুথি সমূহত পোৱা যায়। তাতকৈ অধিক সহজকৈ মহাপুৰুষ দুগৰাকীক জানিবলৈ আৰু বুজিবলৈ হ'লে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ লিখনি সমূহ পঢ়ি হৃদয়ংগম কৰিব লাগিব।

শঙ্কৰ স্বৰূপে হৰি নিজ অংশে
অৱতৰি
ভকতি প্ৰদীপ জ্বলাই থৈলা ।
মাধৱ স্বৰূপে আসি তাতে তৈল
বন্তি দিয়া
অজ্ঞান আন্ধাৰ দূৰ কৈলা ।।
(ন-ঘোষা, পুৰুযোত্তম ঠাকুৰ)

# তালিবানী সন্ত্ৰাসবাদ আৰু ইছলাম ধৰ্ম

ফখৰুদ্দিন আহমেদ

ইছলাম ধৰ্মত সন্ত্ৰাসবাদৰ স্থান নাই। এয়া পোনপটীয়া কথা। কিন্তু সমগ্ৰ বিশ্ব তথা প্ৰায় সংখ্যক ইছলামিক দেশত সুলভ হৈ পৰিছে ইছলাম ধৰ্মৰ নামত সন্ত্ৰাসবাদ। এই সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত আল কায়দা, আইছিছ আৰু তালিবানেই সম্প্ৰতি শীৰ্ষত আছে। যদিহে ইছলাম ধৰ্মত সন্ত্ৰাসবাদৰ স্থানেই নাই তেনেহ'লে উল্লেখিত সন্ত্ৰাসবাদী সংগঠনবোৰৰ বৰ্বৰ আৰু অমানবীয় কাৰ্যকলাপক কি বুলি আখ্যা দিয়া যাব? এনে ধৰনৰ প্ৰশ্নাৱলী সহৃদয়বান লোকৰ মনত উদয় হোৱা অতিকে স্বাভাবিক কথা। যদিহে প্ৰকৃততে ইছলাম ধৰ্মত সন্ত্ৰাসবাদৰ স্থান নাই তেনেহ'লে এই সন্ত্ৰাসবাদী সংগঠনবোৰে ইছলাম ধৰ্ম সম্পৰ্কত বিশ্ব সম্প্ৰদায়ক ভুল বাৰ্তা দি আহিছে। ই ধ্ৰুৱ সত্য কথা। উমৈহতীয়া ভাবে সন্ত্ৰাসবাদৰ সংজ্ঞা অতি চমুকৈ এনেদৰে দিব পাৰি "নিজৰ ইচ্ছা আকাংক্ষাক পুৰন কৰিবলৈ নিৰপৰাধী লোকৰ ওপৰত যি ত্ৰাস চলোৱা হয় সেয়ে এক অৰ্থত সন্ত্ৰাসবাদ।" ইছলামিক পণ্ডিত সকলেও কোৰান আৰু হাদিছ গভীৰ ভাৱে অধ্যয়ন কৰি সন্ত্ৰাসবাদ সম্পৰ্কত কেতবোৰ মন্তব্য কৰিছে। এনে ধৰনৰ কেতবোৰ মন্তব্য দিল্লীস্থিত ইছলামিক ফেকাহ একাডেমীয়ে প্ৰকাশ কৰা আৰবী ভাষাত লিপিবদ্ধ "আল্ আৰবাহ ৰাচ্ছালাম" গ্ৰন্থত উল্লেখ কৰিছে এইদৰে - ১) সন্ত্ৰাসবাদ ৰাজনৈতিক উদ্দেশ্যৰ বাবে দলগত ভাবে কোনো চৰকাৰ, জনতা নাইবা ব্যক্তিৰ বিৰুদ্ধে শক্তি প্ৰদৰ্শন বা ত্ৰাস চলোৱাৰ নাম। ২) ইং ১৯৮৬ চনত গৃহীত ইণ্ডিয়ান নেচনেল চিকিউৰিটি গাৰ্ড নিয়মাৱলীৰ প্ৰসংগক জড়িত কৰি কৈছে - সন্ত্ৰাসবাদী সেই ব্যক্তিক কোৱা হয়, যিয়ে কোনো নীতিগত চৰকাৰৰ বিৰুদ্ধে খং বা ক্ষোভ প্ৰদৰ্শন কৰিবৰ বাবে নতুবা সাধাৰন জনতা বা বিশেষ কোনো গোষ্ঠীৰ মাজত ভয় আৰু বিশৃংখলা বিয়পোৱাৰ বাবে বোমা, ডাইনামাইট , বিষাক্ত গেছ আদিৰ ব্যৱহাৰ এনে ধৰনে কৰে যাৰ ফলত কোনোবা আহত হোৱা, মৃত্যু বৰন কৰা, মাল পত্ৰ ধ্বংস হোৱা নতুবা গোষ্ঠীগত জীৱন যাপনত প্ৰয়োজনীয় সামগ্ৰীৰ ব্যৱস্থা ধ্বংস হৈ যোৱাৰ সম্ভাৱনা থাকে। ৩) ৰাজনৈতিক বা কোনো দলগত উদ্দেশ্য সিদ্ধিৰ বাবে কোনো চৰকাৰ বা নাগৰিকক বাধ্য কৰাৰ উদ্দেশ্যে কোনো ব্যক্তি বা কৰ্তৃপক্ষৰ বিৰুদ্ধে ধমকি দিয়াই হ'ল সন্ত্ৰাসবাদ। পবিত্ৰ কোৰানে কোনো কাৰনতে সন্ত্ৰাসবাদক সমৰ্থন নকৰাৰ ঘোষনা কৰাৰ লগতে সন্ত্ৰাসবাদক সামাজিক বিশৃংখলতাৰ কাৰক হিচাপে উপস্থাপন কৰিছে আৰু এনে বিশৃংখলতাক নিৰ্মূল কৰিবলৈ সকলো ধৰনৰ উপায় অবলম্বন কৰিবলৈ নিৰ্দেশ দিছে। সাম্প্ৰতিক সময়ত সবাতোকৈ বেছি চৰ্চিত বিষয়টিয়ে হৈছে তালিবানৰ দ্বাৰা আফগানিস্তান দখল আৰু আফগান নাগৰিকৰ নিজৰ দেশ এৰি অন্য দেশলৈ প্ৰানৰ মমতাত ঢাপলি মেলাৰ প্ৰসংগ। বিগত ইং ১৯৯৪ চনৰ পৰা মোল্লা ওমৰৰ নেতৃত্বত আফগানিস্তানত তালিবানৰ হিংস্ৰতা আৰু ইং ১৯৯৬ চনৰ পৰা ইং ২০০১ চনলৈ আফগানিস্তানত তালিবানে কৰা শাসনৰ কালচোৱাৰ অভিজ্ঞতা আফগান নাগৰিকৰ বাৰুকৈয়ে মনত আছে। ইং ২০০১ চনৰ পৰা আফগানিস্তানত বিশ বছৰ ধৰি চলা গৃহ যুদ্ধত তালিবানী সকলৰ নৃশংসতা চৰম সীমা অতিক্ৰম কৰিছিল। নাৰী শিক্ষাৰ ওপৰত ইছলাম ধৰ্মত থকা গুৰুত্বক নস্যাৎ কৰি তালিবানে নাৰীক কেৱল ঘৰুৱা কাম, সন্তান জন্ম দিয়া আৰু ভোগৰ সামগ্ৰী হিচাপেই গন্য কৰি আহিছে। নাৰী সকল সকল সম্পৰ্কত বিশেষ গুৰুত্ব থকাৰ বাবেই সৃষ্টিকৰ্তা আল্লাহ পাকে পবিত্ৰ কোৰানত "চুৰা নিছা "ৰ অৱতীৰ্ন কৰিছে। নিছা শব্দৰ অৰ্থ হৈছে নাৰী। চুৰা নিছাৰ বিষয় বস্তুৰেই কেৱল নাৰী। ইং ১৯৯৬ চনত আফগানিস্তান দখল কৰিয়েই তদানিন্তন ৰাষ্ট্ৰপতি নজিবুল্লাহ আৰু তেখেতৰ ভাতৃক মুকলি ভাবে ক্ৰেণ্ডৰ দ্বাৰা ফাঁচী দি তিনিদিনলৈ শৱ দেহ দুটা ওলমাই ৰাখিছিল। এনে বিভৎস, বৰ্বৰোচিত আৰু অমানবীয় কৰ্ম কান্ডৰে আৰম্ভ কৰিছিল শাসন তালিবানে। ইছলামী শ্বৰীয়ত আইন উলংঘা কৰাৰ নামত কিমান আফগান পুৰুষ, মহিলা মৃত্যুদণ্ডৰ সমুখীন হ'ব লগা হৈছিল সেয়া অনুমানৰ বাহিৰত। ইয়াৰ উপৰিও কেৱল ইছলামী শ্বৰীয়তৰ গইনা লৈ তালিবানী সকলে নিজস্ব ধ্যান ধাৰনাৰে আফগানিস্তান শাসন কৰা সেই ছয় বছৰত নিজৰ হিংস্ৰতা, বৰ্বৰতা আৰু ক্ৰুৰতাৰহে প্ৰকাশ আৰু প্ৰচাৰ কৰিছিল। সেয়েই তেওঁলোকে বিশ্বত্ৰাসী আলকায়দাৰ মুৰব্বী সন্ত্ৰাসবাদী ওচামা বিন লাডেনক আশ্ৰয় দিয়াৰ বাবে আমেৰিকা আৰু নাটো বাহিনীৰ হাতত বহুত বেয়াকৈ পৰাস্ত হ'ব লগা হৈছিল। তালিবানৰ বৰ্বৰ শাসনক উৎসাত কৰিবলৈ আমেৰিকাৰ সেনাবাহিনী, নাটোৰ সেনাবাহিনী আৰু তালিবানীৰ আক্ৰমন প্ৰতি আক্ৰমনত আফগানিস্তানৰ বহু লাখ নিৰ্দোষী জনতাই মৃত্যু বৰন কৰিব লগা হৈছিল। দেশ খন প্ৰায় ধ্বংশ স্তুপত পৰিণত হৈছিল। আফগানিস্তানৰ ভগ্ন প্ৰায় আন্তঃ গাঠনিৰ পুনৰ নিৰ্মানত আমাৰ ভাৰতবৰ্ষয়ো পৰ্যাপ্ত পৰিমানৰ আৰ্থিক সাহায্য আগবঢ়াই আহিছে। আমেৰিকান সেনা আৰু নাটো বাহিনীয়ে তাৎক্ষনিক ভাবে সমগ্ৰ বিশ্বক আচৰিত কৰি আফগানিস্তান ত্যাগ কৰাৰ মাত্ৰ দুটা সপ্তাহৰ ভিতৰত তালিবানে সমগ্ৰ আফগানিস্তান দখললৈ নিয়াৰ লগে লগে তালিবানে পূৰ্বৰ ছবছৰীয়া শাসনৰ বৰ্বৰ আৰু অমানবীয় অভিজ্ঞতাক সোঁৱৰন কৰি আফগান নাগৰিকে যেন তেন প্ৰকাৰেন নিজৰ মাতৃভূমি আফগানিস্তান ত্যাগ কৰি বিশ্বৰ বিভিন্ন দেশলৈ পলায়ন কৰিছে। তালিবানৰ মুখপাত্ৰই ঘোষনা কৰিছে আফগানিস্তানে স্বাধীনতা পুনৰ ঘুৰাই পাইছে। দেশৰ স্বাধীনতা প্ৰাপ্তিত আফগান সকলে হৰ্ষোল্লাশ নকৰি প্ৰাণৰ মমতাত কাবুল বিমান বন্দৰৰ পৰা বিমানৰ চকাত ধৰি পলাবলৈ বিচৰা কাৰ্যই তেনেহ'লে কি সূচায়ছে? সন্ত্ৰাসবাদী সম্পৰ্কত ওপৰত আলোচনা কৰা প্ৰতিটো বৈশিষ্ট্য তালিবান সকলৰ ক্ষেত্ৰত দেখা পোৱা যায়। সেয়ে পোনপটীয়াকৈ আখ্যায়িত কৰিবলৈ গ'লে তালিবান এটি নিসন্দেহে "সন্ত্ৰাসবাদী সংগঠন"। তালিবান সকলৰ পোচাক আৰু শৰীৰত ইছলাম ধৰ্মৰ বৈশিষ্ট্য দৃষ্টিগোচৰ হয় যদিও ইছলাম ধৰ্মৰ প্ৰধান বিষয় মানৱতাবাদ আৰু ভাতৃত্ববোধৰ প্ৰয়োগ এই সকলৰ কাৰ্যকলাপত কোনো কাৰণতে দেখা পোৱা নাযায়। তালিবান সন্ত্ৰাসবাদী সকলে সমগ্ৰ বিশ্ববাসীক ইছলাম ধৰ্ম সম্পৰ্কে ভুল বাৰ্তা প্ৰেৰণ কৰি আহিছে। দেখাত তালিবানে আফগান সকলক সকলো ধৰণৰ নিৰাপত্তা প্ৰদান, মহিলা সকলক অধিকাৰ প্ৰদান আদি ঘোষণা কৰিছে যদিও কাৰ্যক্ষেত্ৰত তাৰ সম্পূৰ্ণ ওলোটা কাম হে তালিবান সকলে কাৰ্যকৰী কৰি আছে। ইতিমধ্যে তালিবান সন্ত্ৰাসবাদী সকলে চাৰি গৰাকী আফগান সেনাৰ কামাণ্ডাৰক মুকলি ভাবে আফগান জনতাৰ সমুখত তাৰে এখন ষ্টেডিয়ামত ফাঁচী কাঠত ওলমাইছে। আফগান সেনাৰ বিষয়া, কৰ্মচাৰী সকলক বিচাৰি বিচাৰি বন্দী কৰি আছে। ৰাষ্ট্ৰীয় নিউজ চেনেললৈ কৰ্তব্য সম্পাদনৰ বাবে অহা মহিলা এংকৰক "এতিয়া শাসন সলনি হৈছে" বুলি ঘৰলৈ ঘুৰাই পঠাইছে। কাবুল বিমান বন্দৰত আন দেশলৈ যাবলৈ বুলি সমবেত হোৱা আফগান সকলক এফালৰ পৰা আমেৰিকাৰ সেনাই আৰু আন ফালৰ পৰা তালিবান সন্ত্ৰাসবাদীয়ে নিৰ্বিবাদে গুলীয়াইছে। মানবতাবাদৰ এই পতনৰ বাবে ধৰ্মীয় উন্মাদনাত ইছলাম ধৰ্মৰ বিকৃত উপস্থাপনেৰে আফগানিস্তান দখল কৰা তালিবানেই এশ শতাংশই দায়ী। হজৰত মহম্মদ ছঃৰ উদাৰতাবাদ আৰু ইছলাম ধৰ্মৰ ভাতৃত্ববোধৰ বাবেই অতি কম সময়ৰ ভিতৰত ইছলাম ধৰ্ম সমগ্ৰ বিশ্বত বিয়পি পৰিছিল। হজৰত মহম্মদ ছঃ য়ে আন ধৰ্মৰ লোক সকলৰ সৈতে

(ছয়পৃষ্ঠাত চাওক)

# প্ৰাৰ্থনাৰ আকৰ্ষন

মঞ্জুষা শৰ্মা

আজি বৰুৱা-বৰুৱানীক পাই কোনে? অত দিনৰ মূৰত গাড়ীবোৰ চলিবলৈ লোৱাত বৰুৱানীৰ ভায়েক আৰু ভনীয়েকৰ ল'ৰা দুটা থকাকৈ আহিব। ইমান দিন অকলশৰে ঘৰতে আবদ্ধ হৈ থাকি আমনি লাগিছিল। সেয়ে দুয়ো ব্যস্ত। তাতে আজি মাধৱদেৱৰ তিথিও। বৰুৱাই বজাৰ খিনি কৰি আনি দি সোনকালে আজৰি হ'বলৈ ক'লে। বৰুৱানীয়েও গা - পা ধুই সন্ধ্যা চাকি-বন্তি জ্বলাই প্ৰাৰ্থনা এফাঁকি গাবলৈ ধৰিলে। সেই সময়তে দুয়োটা ল'ৰা আহি জেঠপেহাকৰ লগত বাহিৰৰ ৰুমতে বহি প্ৰাৰ্থনা শুনিবলৈ ধৰিলে। ৰিবে ক'লে জেঠাইৰ মাতটো বৰ ধুনীয়া নহয়নে ৰাজা। তেনেকুৱাতে জেঠায়ে হাতত ধূপডাল লৈ দেখে ৰিব আৰু ৰাজা আহি বহি আছে জেঠপেহাকৰ লগত কথা পাতি। লৰালৰিকৈ সিহঁতৰ বাবে সাজু কৰি থোৱা খোৱা বস্তুবোৰে টেবুল ভৰাই পেলালে। তেওঁ কামৰ মাজৰ পৰাই সিহঁতক কোনে থলেহি সুধিলে? সিহঁতক দেউতাকে থলেহি বুলি ক'লে। তাকে শুনি তেওঁ বিষন্ন মনেৰে নিজে নিজকে ক'লে মইহে প্ৰাৰ্থনা কৰি থাকোতেই গ'ল, তাৰ আকৌ সময়েই নাই নহয়! আহা আহা সকলো, সন্ধ্যাৰ চাহ খাই লওঁ। চাহৰ মেজত জেঠায়ে ক'লে- আমি জানা সৰুৰে পৰাই সন্ধ্যাৰ আগে আগে ভৰি-হাত ধুই কাপোৰ-কানি সলাই চিঞঁৰি চিঞঁৰি প্ৰাৰ্থনা কৰো দিনবোৰ যাতে ভাল হয়। সেইবোৰ আমাক আমাৰ মায়ে শিকাইছিল, লগতে সময়মতে নিজৰ কামবোৰ নকৰিলে দেউতায়ে বেয়া পাব আৰু খঙ উঠিলে তেওঁ আমাক সহায় কৰিব নোৱাৰো বুলি কৈছিল। সেয়েহে আমি সদায় আমাৰ সকলো কাম সময়মতে সুচাৰুৰূপে কৰি গৈছিলো। ৰাতিপুৱা সোনকালে উঠি গা-পা ধুই গোঁসাই ঘৰত সোমাই অহাৰ পিছতহে ৰুটি চাহ খাবলৈ দিছিল। তেতিয়াৰ দিনত বিজুলী-বাতিৰ কোনো ব্যৱস্থাই নাছিল। সন্ধ্যা হোৱাৰ পিছত বাট পথবোৰ জোনাকী পৰুৱা আৰু কিছুমান মানুহৰ ঘৰৰ লেম্পৰ টিমিক-টামাক পোহৰেৰে পোহৰ হৈছিল। সন্ধ্যাৰ সময়ত প্ৰত্যেকৰ ঘৰতে চাকি দিয়াৰ লগতে কাৰোবাৰ ঘৰৰ পৰা ডবা-শঙ্খ-কাঁহ-ভোৰতাল- প্ৰাৰ্থনা আদিৰ শব্দই পৰিবেশটো সুন্দৰ কৰি তুলিছিল। এই প্ৰাৰ্থনাৰ মূল কথাই হৈছে ঈশ্বৰৰ ওচৰত আত্মসমৰ্পণ কৰা। প্ৰাৰ্থনাই মানুহৰ মনলৈ সকলোৰে প্ৰতি প্ৰেম ভাৱ জগাই তোলে। আমাৰ দেশৰ এই নিয়মটো বিদেশৰ এগৰাকী মহীয়সী মহিলাই খুব সমৰ্থন কৰিছিল আৰু সেই নিয়মটো সদায় চলি থকাটো বিচাৰিছিল। সেই গৰাকী কোন জানানে ? সেই গৰাকীয়েই হৈছে সকলো সময়তে দৰিদ্ৰ- আৰ্তজনৰ ওচৰত থিয়হৈ সহায়ৰ হাত আগবঢ়োৱা সুদূৰ ইউৰোপৰ পৰা আহি ভাৰতীয় হৈ পৰা আমাৰ চিৰনমস্য- চিৰকুমাৰী - সন্ন্যাসিনী মাদাৰ টেৰেছা। আজিৰ এই ২৭ আগষ্টৰ দিনটোতেই ইউৰোপৰ যুগোশ্লোভিয়াৰ স্কপেজ চহৰত ১৯১০ চনত মাদাৰ টেৰেছাই জন্ম গ্ৰহণ কৰিছিল। খ্ৰীষ্টান ধৰ্মৰ ৰোমান কেথলিক গোটৰ এলবেনিয়ান জাতিৰ মধ্যবিত্ত পৰিয়ালৰ ছোৱালী




আছিল। সৰুতে তেওঁৰ নাম আছিল এগনেছ। এগনেছৰ প্ৰায় চাৰিবছৰ নৌ হওঁতেই পিতৃৰ মৃত্যু হয়। তেতিয়াৰ পৰাই বহু কষ্ট মাজেদি মাকে তিনিওটি সন্তানক ডাঙৰ - দীঘল কৰে। সৰুৰে পৰাই এগনেছ ধাৰ্মিক স্বভাৱৰ আছিল। স্কুলত থাকোতেই "মেৰীৰ ছদেলিতি" নামৰ ধাৰ্মিক অনুষ্ঠান এটিৰ লগত জড়িত হৈ পৰিছিল। তাৰ পিছত তেওঁ "লৰেটো " নামৰ খ্ৰীষ্টীয় সংস্থাত যোগ দিয়ে। এইটো হ'ল মঠ নিবাসী সন্যাসিনী ভগ্নীসকলৰ সংগঠন। এই সংস্থাৰ স্কুল কলিকতা আৰু দাৰ্জিলিঙত আগৰ পৰাই আছিল। ১৯২৮ চনত এগনেছ ভাৰতৰ দাৰ্জিলিঙলৈ আহিছিল। তাত তেওঁ শিক্ষয়িত্ৰীৰূপে জীৱন আৰম্ভ কৰে। তাৰ পিছত কলিকতাৰ "লৰেটো" ৰ লগৰে "চেন্ট মেৰীজ কনভেন্ট" ত বহু বছৰ শিক্ষকতা কৰিছিল। সেই সময়তে তেওঁ আনুষ্ঠানিকভাৱে মঠৰ

(ছয়পৃষ্ঠাত চাওক)

# একবিংশ শতিকাৰ সভ্য সমাজতো মহিলা যুৱতীৰ

পঞ্চম শ্ৰেণীৰ ছাত্ৰীয়ে ঘৰলৈ উভতাৰ পথত কেইজনমান নৰখাদকে দলবদ্ধভাৱে বলাৎকাৰ কৰি হত্যা কৰি উঠি আকৌ মৃতদেহটো পুৰি পেলাইছিল। যোৱাটো বৰ্ষৰ ডিচেম্বৰ মাহত ৰাজধানী মহানগৰী গুৱাহাটীতে এগৰাকী অৱসৰপ্ৰাপ্ত মহিলা বিষয়াক নিজৰ ঘৰৰ সোৱনি কোঠাৰ ভিতৰতে কোনোবাই হত্যা কৰি পেলাই থৈ গৈছিল। এই বৰ্ষৰ মাঘৰ বিহুৰ উৰুকাৰ দিনা এগৰাকী মহিলা আৰু তেওঁৰ নৱম শ্ৰেণীত পঢ়ি থকা জীয়ৰীক ধৰ্ষণ কৰি হত্যা কৰি তেওঁলোকৰ মৃতদেহ ধাননি পথাৰত পেলাই থৈ গৈছিল। ইয়াৰ উপৰিও অপহৰণ মহিলা যুৱতীৰ সৰবৰাহ এইসমূহ ঘটনাতো সংঘটিত হৈয়ে আছে। সমাজখনত এইদৰেই একো একোটা লোমহৰ্ষক, গুৰুতৰ ঘটনা আমাৰ সমাজখনত সংঘটিত হৈ থাকে। ঘটনা সমূহ ঘটাৰ কেইদিনমানলৈ ৰাজ্যব্যাপী প্ৰতিবাদ হয়, কিন্তু কেইটামান দিন পিছতে আকৌ সকলো নিতাল নিস্তব্ধ হয়। আমাৰ ৰাজ্য খনৰ যিটো প্ৰচলিত আইনী ব্যৱস্থা সেয়া অত্যন্ত লেহেমীয়া। যিকোনো এটা গুৰুতৰ ঘটনাৰ বিচাৰ হ'বলৈয়ো কেইবাবছৰো সময় লাগে আৰু ইয়াৰ ফলতেই লাহে লাহে বিচাৰ প্ৰক্ৰিয়াটো শিথিল হৈ পৰে। বহুসময়ত ভুক্তভোগী সকলে যি উপযুক্ত ন্যায় পাব লাগিছিল তাৰ পৰাও বঞ্চিত হোৱা দেখা যায়। আমি চৰকাৰৰ পৰা এইটো আশা কৰো যে মহিলা, যুৱতী সকলৰ অপৰাধ নিয়ন্ত্ৰৰ ক্ষেত্ৰত এখন অতি কঠোৰ আইন চৰকাৰে বলৱৎ কৰিব লাগে যাতে অপৰাধী সকলক যথোপযুক্ত শাস্তি প্ৰদান কৰি ভুক্তভোগী ! ভুক্তভোগীৰ পৰিয়ালক উপযুক্ত ন্যায় প্ৰদান কৰিব পৰা যায়। স্বাধীনতা লাভৰ সাতটা দশক পাৰ হৈ যোৱাৰ পিছতো ধৰ্ষণৰ ক্ষেত্ৰত এখন সুস্পষ্ট আৰু নিৰ্দিষ্ট আইন হৈ নুঠাটো আমাৰ সকলোৰে বাবে দুৰ্ভাগ্যজনক। সংবিধান প্ৰণয়ন হোৱাৰ পিছত যিকেইখন আইন প্ৰণয়ন কৰা হৈছিল, সেই আইন সমূহো বৰ্তমানৰ সময় পৰিস্থিতিৰ লগত নিমিলা হ'ল। গতিকে এই সমূহ আইনৰ ক্ষেত্ৰতো সংশোধনীৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। মহিলাৰ ওপৰত বাঢ়ি যোৱা এই ভয়াবহ অপৰাধ সমূহ নিয়ন্ত্ৰৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰে অতি কঠোৰ পদক্ষেপ লব লাগে আৰু এই অপৰাধজনিত হত্যা কাণ্ড সমূহৰ বিচাৰ প্ৰক্ৰিয়া ফাষ্ট ট্ৰেক আদালতৰ জড়িয়তে হব লাগে। আমি সকলোৰে ৰাজ্য চৰকাৰ খনলৈ এইটোৰে এই মূহুৰ্তত আহ্বান জনাও যে নন্দিতা শইকীয়াৰ হত্যাৰ বিচাৰ ফাষ্ট ট্ৰেক আদালতৰ যোগেদি হওঁক। দোষীক চৰকাৰে কঠোৰতম শাস্তি প্ৰদান কৰক। ইয়াৰ লগতে চৰকাৰলৈ জনাওঁ যে মহিলা, যুৱতী সকলৰ ওপৰত সংঘটিত হৈ থকা নাৰীজনিত অপৰাধ সমূহ নিয়ন্ত্ৰণ কৰিবৰ বাবে এখন নিৰ্দিষ্ট, কঠোৰ আইন বলৱৎ কৰক চৰকাৰে।



## উত্তৰ-পূবে এক হৈ কাম কৰিলেহে

জি ডি পি তকৈ ৬ শতাংশ অধিক আছিল। ইয়াৰ প্ৰধান কাৰকেই হৈছে জলপথৰ উচিত ব্যৱহাৰ। জলপথেৰে ব্যৱসায়-বাণিজ্য কৰাৰ বাবেই অসমে স্বাধীনোত্তৰ সময়তে দ্ৰুত অৰ্থনৈতিক বিকাশ লাভ কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত উত্তৰ-পূৰ্বৰ প্ৰতি অৱহেলাৰ দৃষ্টিভংগী প্ৰদান কৰাত ক্ৰমশঃ এই জলপৰিবহণ ব্যৱস্থা বন্ধ হৈ পৰিছিল। ব্ৰিটিছৰ সময়তে অসমৰ পৰা জলপথেৰে যোৱা সামগ্ৰী আন আন দেশত বিক্ৰী কৰিব পাৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে পুনৰ এই জলপথ উন্নয়নৰ কাম হাতত লৈছে। ইতিমধ্যে বাংলাদেশৰ সৈতেও চুক্তি স্বাক্ষৰ কৰিছে প্ৰধানমন্ত্ৰীয়ে। অসমৰ জলপথ কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে উন্নয়ন কৰিবই বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰি সোণোৱালে ৰপ্তানিকাৰী কোম্পানীসমূহক সম্পদ আৰু সম্ভাৱনীয়তা পোহৰলৈ আনিবলৈ আহ্বান জনায়। জলপথ সুচল হোৱাৰ পাছতে যাতে উত্তৰ-পূৰ্বাঞ্চলত উৎপাদিত সামগ্ৰী দেশ-বিদেশত বিক্ৰী - কৰিব পাৰি সেই সন্দৰ্ভত আজি সন্মিলনত অংশগ্ৰহণ কৰা কেইবাটাও ৰপ্তানিকাৰী প্ৰতিষ্ঠানৰ প্ৰতিনিধিবৰ্গক ইয়াৰ সম্ভাৱনীয়তা সন্দৰ্ভত জৰীপ কৰিবলৈ আহ্বান জনায়।

## চাৰ্টাৰ্ড একাউনটেণ্টৰ ৰাষ্ট্ৰীয় সন্মিলনৰ সামৰণি


বাৰ্তাসেৱা- আই চি এ আইৰ গুৱাহাটী শাখাৰ উদ্যোগত ভাৰ্চুয়েল মোডত ২৫ আগষ্টৰ পৰা তিনি দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত চাৰ্টাৰ্ড একাউনটেণ্টৰ ৰাষ্ট্ৰীয় সন্মিলনখন সামৰণি পৰে। সন্মিলনীত সাংসদ সুৰেশ প্ৰভু, ভাৰতীয় ষ্টেট বেংকৰ উত্তৰ-পূৰ মণ্ডলৰ মহাপ্ৰবন্ধক সুৱঞ্জনা দত্ত, আই চি এ আইৰ অধ্যক্ষ চি এ নিহাৰ এন জম্বুছৰিয়া, আই চি এ আইৰ উপাধ্যক্ষ চি এ ড°দেবাশীষ মিত্ৰ আৰু কেন্দ্ৰীয় পৰিষদ আৰু ক্ষেত্ৰীয় পৰিষদৰ সদস্যসকল আৰু আয়োজক সমিতিৰ পৰিচালনা সমিতিৰ সদস্যসকল এই ৰাষ্ট্ৰীয় সন্মিলনত উপস্থিত থাকে। এই সন্মিলনৰ নিৰ্ধাৰিত বিষয় সন্দৰ্ভত চি এ বৃত্তিধাৰীসকলৰ পৰিৱৰ্তিত কাৰ্যপন্থা সম্পৰ্কে আলোচনা কৰা হয়। চাৰি সদস্যৰ পেনেলত দেশৰ প্ৰখ্যাত চাৰ্টাৰ্ড একাউনটেণ্টসকলে অংশগ্ৰহণ কৰে। নতুন দিল্লীৰ চি এ সঞ্জীৱ চৌধুৰীয়ে আচৰণ বিধি, বৃত্তিটোক প্ৰভাৱিত কৰিব পৰা কাৰকসমূহৰ ওপৰত এক বক্তৃতা প্ৰদান কৰে। দ্বিতীয় দিনৰ কাৰ্যসূচীত কোম্পানী অধিনিয়ম, ২০১৩ ৰ শেহতীয়া সংশোধনৰ লগতে ভাৰতত আয়কৰ অধিনিয়ম সন্দৰ্ভত আলোচনা কৰা হয়। এই বিষয়সমূহত কোম্পানী অধিনিয়ম, ২০১৩ বিশেষজ্ঞ চি এ নীলেশ বিকমছে আৰু আয়কৰ অধিনিয়মৰ বিশেষজ্ঞ চি এ বেদ জৈন আৰু ড° ৰবি গুপ্তাই অংশগ্ৰহণ কৰে। সন্মিলনৰ তৃতীয় দিনা ইন্দোৰৰ চি এ মনোজ ফডনীছে হিচাপ আৰু হিচাপ পৰীক্ষা সন্দৰ্ভত ভাষণ দিয়ে। বেংগলুৰুৰ চি এ যতীন ক্ৰিষ্টোফাৰ আৰু জয়পুৰৰ চি এ যতীন হৰজাই উক্ত বিষয়ত আলোচনা কৰে। সন্মিলনৰ মিডিয়া আৰু প্ৰচাৰ সমিতিৰ অধ্যক্ষ চি এ স্বাতি তেজাৱতে গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়ায়।

## প্ৰাৰ্থনাৰ আকৰ্ষন

ভগ্নী হোৱাৰ সংকল্প লৈ প্ৰতিজ্ঞাবদ্ধ হোৱাত এগৰাকী "মাদাৰ টেৰেছা" নামেৰে পৰিচিত হৈ পৰে। ফৰাচী দেশৰ এগৰাকী সন্যাসিনীৰ নাম অনুসৰি এই নতুন নামাকৰণ কৰা হৈছিল। মাদাৰ টেৰেছাই ছাত্ৰীবোৰক লৈ কলিকতাৰ "নীলৰতন চৰকাৰ" হস্পিতেলৰ অনাথ বেমাৰীবোৰক চোৱাৰ লগতে এখাৰ মৰমৰ মাত দি উৎসাহিত কৰিছিল। তাৰ সমানে সমানে স্কুলৰ পিছ ফালে থকা "মতিঝীল" বস্তিৰ লোকক সহায় কৰাৰ লগতে তাৰ ল'ৰা-ছোৱালীৰ মাজত শিক্ষাৰ পোহৰ বিলাইছিল। মাদাৰ টেৰেছাই কঠোৰ অনুশাসন মানি চলিছিল। দৰিদ্ৰসকলৰ কথা চিন্তা কৰিয়েই তেওঁ "কনভেণ্ট"ৰ পোছাক পৰিহাৰ কৰি নীলা পাৰিৰ বগা কপাহী শাৰী পিন্ধোতে কান্ধত যীশুৰ ক্ৰচডাল পিনত লগাই মাৰিছিল। এনেদৰেই তেওঁ এগৰাকী ভাৰতীয় নাৰী হৈ পৰিছিল। ১৯৪৬ চনৰ ১০ চেপ্তেম্বৰ দিনটোত কাচেঙত নিজৰ জীৱন দুখীজনৰ বাবে উছৰ্গা কৰাৰ বাবে সেই দিনটো সংস্থাৰ ভগ্নী সকলে অনুপ্ৰেৰণা দিৱস হিচাপে পালন কৰে। ১৯৫০ চনত "মিছনেৰী অৱ শ্বেৰিটি" নামৰ এটা সংস্থা স্থাপন কৰে। মানৱ সেৱাৰ লগতে ধাত্ৰী বিদ্যা শিক্ষাৰ বাবে পাটনালৈ যায়। পাটনাৰ পৰা ঘূৰি আহি বয়সস্থ মানুহৰ আশ্ৰয় গৃহ "চেণ্ট জোচেফ হোম" লৈ যায়। এই আশ্ৰয় ঘৰটো "লিটল চিষ্টাচ" নামৰ খ্ৰীষ্টান সন্যাসিনী ভগ্নীৰ এটা সংস্থাই চলাইছিল। তাৰোপৰি তেওঁ শিশু ভৱন, শ শ প্ৰাথমিক স্কুল, শ শ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, কুষ্ঠ ৰোগীৰ আশ্ৰম আদি বহুতো কাৰ্য সাহসিকতাৰে কৰিছিল। তেওঁৰ মতে মানুহ ৪:৩০ বজাত উঠি দুঘণ্টা প্ৰাৰ্থনা কৰি ৰুটি চাহ খাই দৰিদ্ৰজনৰ ওচৰত থিয় হ'ব লাগে। মাদাৰ টেৰেছাই "অপৰিগ্ৰহ" ৰ আদৰ্শক বিশ্বাস কৰিছিল। ইয়াৰ অৰ্থ প্ৰয়োজনতকৈ অধিক সংগ্ৰহ কৰিব নালাগেষ কলিকতাৰ "জগদীশ বোস ৰোড" ত "মাতৃ ভৱন" (মাদাৰ টেৰেছা) ৰ কাষতে "নিৰ্মলা শিশু ভৱন " স্থাপন কৰে। কালীঘাটৰ ওচৰত "নিৰ্মল হৃদয় " নামৰ কুষ্ঠৰোগীৰ আশ্ৰয় গৃহ নিৰ্মাণ কৰে। মাদাৰ টেৰেছাই দৰিদ্ৰ, ৰোগী, অৱহেলিত, আশ্ৰয়হীন, কেও-কিছু নোহোৱাজনৰ প্ৰতি কৰা ব্যৱহাৰৰ বাবে প্ৰথমে ভাৰত চৰকাৰে পদ্মশ্ৰী উপাধিৰে তেওঁক সন্মান জনায়। তাৰ পিছত টেম্পলটন, ১৯৭৯ চনত নোবেল পুৰস্কাৰ, শেষত ভাৰতৰ সৰ্বোচ্চ সন্মান "ভাৰত ৰত্ন" উপাধি প্ৰদান কৰে। আমিও তেওঁৰ লক্ষ্যৰে অনুপ্ৰাণিত হৈ প্ৰয়োজনতকৈ বেছি সংগ্ৰহ নকৰি, সকলোকে সমান মৰমেৰে আৱৰি ৰাখিবলৈ চেষ্টা কৰিব লাগে। সেয়েহে মাদাৰ টেৰেছা আজি মৰিও অমৰ।

## চুটিগল্প-কইনা

**অশ্লেষা শ্ৰাৱণী, ৰহা**




পুৱা সুৰুযৰ প্ৰকোপত চকুহাল মেলি দেখিছে কোঠাটো বেলেগ, পৰ্দাৰ ৰঙ বেলেগ। এক সুকীয়া অনুভৱ। লগে লগে আকৌ এবাৰ জোৰকৈ চকুৰ পতা মুদি দীঘলকৈ উশাহ ল'লে। সমাজে বান্ধি দিয়া আন এটা নিয়ম আড়ম্বৰ্পূৰ্ণভাৱে পালন কৰি জীৱনৰ বাটচোৰাত এইবাৰ আন এগৰাকীৰ সৈতে খোজ দিব। আচল খন মেলি আইনাত মুখখন চাই শেপ ঢুকিলে। ক'লাৰ সলনি ৰঙা অকণমানি ফোট এটা কপালত সজাইছে। হয়তো সাজোন-কাচোনৰ মূল এতিয়াৰ পৰা পৃথক। ভিজা চুলিত গামোচা খন মেৰিয়াই, লাজৰে উৰণি খন টানি মিচিকিয়াই তাই হাঁহিলে। তাইৰ নিজকে ধুনীয়া যেন লাগিল। লাহে লাহে পায়েল ৰ শব্দ কৰি খোজ দিছে। প্ৰস্তুত তাই, ন-কইনা আৰু ন-বোৱাৰী ৰ দায়িত্ব লবলৈ। আজিৰ পৰা এক নতুন অধ্যায়।

## তালিবানী সন্ত্ৰাসবাদ

মছজিদৰ ভিতৰত বহি আলোচনা কৰিছিল আৰু আশ্ৰয় ল'বলৈ ঠাই নাপালে আন ধৰ্মৰ লোকক মছজিদত ৰাতি কটাবলৈ অনুমতি দিছিল। নিৰ্দোষী জনতাক ত্ৰাসিত কৰি হিংসা, হত্যা, ধৰ্ষণ আদি সন্ত্ৰাসবাদী কাৰ্যকলাপত লিপ্ত হোৱা লোকৰ মূৰৰ এহাত ওপৰত আল্লাহৰ অভিশাপ আৰু শান্তি ওলমি থাকে বুলি পবিত্ৰ হাদিছ গ্ৰন্থত উল্লেখ আছে। সেই কাৰণেই হয়তো তালিবান বিৰোধী শক্তিয়ে ইতিমধ্যে তিনিখন জিলা তালিবান সন্ত্ৰাসবাদীৰ কব্জাৰ পৰা নিজৰ হাতলৈ নিবলৈ সক্ষম হৈছে, য'ত প্ৰায় এশ তালিবান সন্ত্ৰাসবাদী নিহত হৈছে বুলি বাতৰি প্ৰচাৰ হৈছে। তালিবান বিশ্বৰ পঞ্চম ধনী সন্ত্ৰাসবাদী সংগঠন। ইহঁতৰ উপাৰ্জনৰ উৎস হৈছে নিষিদ্ধ পপিয়া খেতি। ইয়াৰ পৰা তৈয়াৰ কৰা নিষিদ্ধ ড্ৰাগছ বিশ্বৰ বিভিন্ন দেশলৈ অবৈধ ভাৱে প্ৰেৰন কৰে। ইছলাম ধৰ্মত ড্ৰাগছ বা মাদক দ্ৰব্য সেৱন সম্পূৰ্ণ ভাবে হাৰাম বা নিষিদ্ধ। এতিয়া তালিবানক মুছলমান বুলি ক'ব পাৰি নে? ইং ১৯৯৪ চনৰ পৰা চলিত বৰ্ষলৈ হাজাৰ বিজাৰ মহিলা তালিবানৰ দ্বাৰা ধৰ্ষিত হৈছে তাৰ শুদ্ধ হিচাপ নিশ্চয় পোৱা নাযাব। পবিত্ৰ কোৰানত উল্লেখ আছে " যি এজন নিৰীহক হত্যা কৰিলে তেওঁ সমগ্ৰ মানৱ জাতিকে হত্যা কৰিলে।" আকৌ উল্লেখ আছে "যুদ্ধ চলি থকা মুহূৰ্তত শিশু, মহিলা, বৃদ্ধ লোক আৰু বিনা অস্ত্ৰধাৰী লোকক হত্যা কৰিব নোৱাৰিব।" এনে ধৰণৰ কোৰানৰ আদেশৰ প্ৰতি ধ্যান দিয়াৰ মানসিকতা তালিবান সন্ত্ৰাসবাদী সকলৰ নাই। কিছুমান অত্যুৎসাহী লোকে তালিবানৰ কাবুল দখলক হজৰত মহম্মদ ছঃৰ মক্কা বিজয়ৰ লগত তুলনা কৰাৰ প্ৰয়াস কৰা দেখা গৈছে। কিন্তু কোনো কাৰণত এই তুলনা গ্ৰহনযোগ্য নহয়। কাৰণ হজৰত মহম্মদ ছঃ য়ে মক্কা বিজয়ৰ পিছত তেখেত আৰু ইছলাম ধৰ্মৰ প্ৰধান শত্ৰু সকলেও নিৰাপত্তা অনুভৱ কৰিছিল। মক্কা এৰি পলায় যোৱাৰ প্ৰসংগৰ কথা বহু দূৰত আছিল। কিন্তু তালিবানে কাবুল দখল কৰাৰ পিছত আফগান সাধাৰণ নাগৰিকৰ অৱস্থা সকলোৱে দেখি আছো। মুঠ কথা কোৰান আৰু হাদিছৰ দ্বাৰা প্ৰমানিত হয় যে ইছলাম ধৰ্মৰ নামত তালিবানে কৰি থকা কৰ্মকাণ্ডবোৰ ইছলাম ধৰ্মৰ দ্বাৰা কোনো কাৰনতে সমৰ্থিত তথা অনুমোদিত নহয়। আফগান শৰণাৰ্থী সকলৰ ক্ষেত্ৰত ভাৰত চৰকাৰে আদৰণীয় পদক্ষেপ গ্ৰহন কৰিছে। ভাৰতলৈ আহিব বিচৰা আফগান নাগৰিকক শৰণাৰ্থীৰ ভিছা প্ৰদান কৰিব। ইয়াৰ দ্বাৰা ভাৰতৰ ধৰ্ম নিৰপেক্ষতা আৰু মানৱতাবোধৰ চানেকী সমগ্ৰ বিশ্বত বিয়পি পৰিছে। ইতিমধ্যে ড্ৰেগনৰ দেশ চীন আৰু ভাৰতৰ চিৰ বৈৰী পাকিস্তানে তালিবান চৰকাৰক বৈধতা প্ৰদান কৰিবলৈ প্ৰায় সিদ্ধান্ত গ্ৰহন কৰিছে। ভাৰতত ইতিমধ্যে তালিবানৰ বিজয়ক লৈ কিছুমান নাগৰিক উল্লাসিত হৈছে। চ'চিয়েল মিডিয়া তালিবানক কৰা সমৰ্থন তথা বিৰোধেৰে ভৰি পৰিছে। এই ক্ষেত্ৰত মাতৃভূমি ভাৰতবৰ্ষৰ অখণ্ডতাত যাতে কোনো কাৰণতে তিল মাত্ৰও আঘাত নপৰে তাৰ বাবে চৰকাৰ সজাগ থাকিব লাগিব আৰু ভাৰতবাসীয়ে এই ক্ষেত্ৰত সহযোগ কৰিব লাগিব। ইতিমধ্যে অসম চৰকাৰৰ আৰক্ষী প্ৰশাসনে তালিবান সন্ত্ৰাসবাদীক সমৰ্থন কৰি চ'চিয়েল মেডিয়াত দিয়া পোষ্টৰ আঁত ধৰি চৈধ্য জনক গ্ৰেপ্তাৰ কৰি সোধ পোছৰ পিছত ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। অসম চৰকাৰে এয়া এক আদৰণীয় আৰু সময়োচিত পদক্ষেপ গ্ৰহন কৰিছে। সন্ত্ৰাসবাদীক কেৱল ধৰ্মীয় উন্মাদনাৰে সমৰ্থন যে কৰিব নালাগে এই বিষয়ত সকলোৱে বাবে ই এক অনন্য শিক্ষনীয় বিষয় হৈ থাকিব।

"চাৰে জাহাঁ চে আচ্ছা, হিন্দুস্তান হমাৰা "মহাকবি আল্লামা ইকবালৰ এই বাক্যযাৰক বাস্তৱত ৰক্ষা কৰি চলিবলৈ প্ৰতিজন ভাৰতীয় জীৱনৰ প্ৰতিটো ক্ষনত সাজু হৈ থাকিলেহে আমাৰ ভাৰতবৰ্ষ প্ৰকৃততে বিশ্ব গুৰু হোৱাত সক্ষম হ'ব পাৰিব।


মহামাৰীয়ে আমাৰ জীৱনবোৰ
অস্বাভাৱিক কৰি তুলিলে
অজস্ৰজন ভুক্তভোগী হ'ল
বহু লোকে হেৰুৱালে আপোনজনক
Assam State Disaster Management Authority
জনতাৰ চৰকাৰ
my GOV मेरी सरकार
মনোজ্ঞ MANOJNA
Methodological Application of Neuroscientific Options for Judicious Natural Adjustment
আৱেগিক আৰু মানসিক স্বাস্থ্যজনিত যিকোনো সমস্যা
সমাধানৰ বাবে টেলি-পৰামৰ্শ প্ৰদানৰ ব্যৱস্থা
সময় ঃ পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ
সহায়ৰ বাবে ডায়েল কৰক
ট'ল ফ্ৰী নম্বৰ ১৪৪১০
তলত লিখিত ধৰণৰ বিষয়সমূহক লৈ
মানসিক উদ্বিগ্নতাত ভুগি আছে নেকি ?
সাহায্য শিবিৰ বা অন্যান্য আশ্ৰয় স্থলত
থাকিবলগীয়া হোৱাৰ উদ্বিগ্নতা
বৰ্তমান বা ভৱিষ্যতৰ পৰিস্থিতিক লৈ অধিক চিন্তা
ক'ভিড-১৯ত আত্মীয় বা বন্ধুক হেৰুৱাৰ বেথা
উপাৰ্জন আৰু জীৱিকা হেৰুওৱাৰ সংশয়
অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা
প্ৰাধিকৰণৰ এক পদক্ষেপ
পঞ্জীয়ন কৰক :
assam.mygov.in
/mygovassam
JANASANYOG-1408/21
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow Us /@diprassam
https://dipr.assam.gov.in/

E-mail us-
rongilibartamedhi@gmail.com


Postal Redg. No. GH- 098/ 2015 - 17

**Rongili Barta**
GUWAHATI—781025

১২ ভাদ, ১৪২৭ চন Rongili Barta, Date of Publication-- 29AUGUST, 2021

# বন্দীত্বৰ অন্য এটি নাম আমি

**প্ৰস্তুতি শৰ্মা,গোলাঘাট**




জীৱন বৰ অনুপম। জীৱনে কেতিয়া কোনফালে মেলানি মাগে সেইয়া আমি কোৱাতো কঠিন। সময় জীৱনৰ বন্ধু। সময়ে বাট বোলাই জীৱনৰ বাটতত।

২০২০চন আহিছিল পৃথিৱীলৈ, ভৰা নাছিল কোনেও এই ২০২০চনে যেন লৈ আহিব কাল অমানিশা। ২০২০ নতুনত্বৰ এটি চিনাকী নাম ক'ৰণা, চেনিটাইজাৰ মাক্স আদিয়ে ঠাই ল'লে জীৱনত। সামাজিক দূৰত্ব আৰু তলাবন্ধ ওতঃপ্ৰোত ভাবে জড়িত হৈ পৰিল মানৱৰ ওপৰত। তাৰ উপৰিও প্ৰাকৃতিক দুৰ্যোগ আদিয়ে ঠাই ল'লে। নভবাকৈয়ে বহুতৰ জীৱন শেষ হ'ল। শেষ হৈ গ'ল বহু সপোন আৰু আশা। কাঢ়ি লৈ গ'ল কাল ক'ৰণাই স্কুলীয়া জীৱনৰ সুখবোৰ। তাৰ ঠাই ল'লে অনলাইন পাঠদান। অনলাইনৰ জৰিয়তে আগবাঢ়ি গৈছে বহু শিক্ষাৰ্থী বহু দূৰ। আনফালে আৰ্থিক সমস্যাই জুৰুলা কৰিছে একাংশক। কি সময়, এই সময় যেন দূ:সময়। ক'ৰণাৰ আতংক মৃত্যুৰ কিৰীলি আপোনাক মানুহক হেৰোৱাৰ বেদনা আনফালে আপোন মানুহক অকমাণ চোৱাৰ দুৰ্বাহ হেঁপাহ মনতেই মৰহিছে। ২০২০ চন এনেদৰেই গ'ল যদিও ২০২১ চনে লৈ অহা আধৰুৱা সপোন বোৰ বাস্তৱ হোৱাৰ আশা কৰিবলৈ আমি অপাৰগ যদিও কাল ক'ৰণাৰ বাবে আমি আকৌ থমকি ৰওঁ। আমি সমস্যা বোৰ সমাধান কৰিব লাগিব। প্ৰতিটো সমস্যাৰ লগত যুঁজিব লাগিব। মনত প্ৰশ্ন জাগে আমি বাৰু সচাই সমস্যাবোৰ সমাধান কৰিছোঁ নে? নে সহবাস কৰিছোঁ সমস্যাৰ লগত। জীৱনে বহু নতুনৰ লগত চিনাকি কৰাই দিলে। মানৱ জীৱনত কিছুমান অংগ অপৰিহাৰ্য হৈ পৰিল, ক'ৰবালৈ গ'লে মাক্সখন পিন্ধা, চেনিটাইজাৰটো হাতত লৈ যোৱা, সামাজিক দূৰত্ব বজাই ৰখা আদি।আমি এইবিলাক কাম কৰিবলৈ টান পালে বা সমস্যা বুলি ভাবিলে নহ'ব। আমি ব্যৱহাৰ কৰা উচিত। কাৰণ তেতিয়া হে আমি এই ক'ৰণা যুঁজত জয়ী হ'ব পাৰিম। আমাৰ জীৱনৰ শংকাবোৰ আঁতৰ কৰিবলৈ হ'লে সমস্যাবোৰ দূৰলৈ খেলা উচিত।।

জীৱন জীন্দাবাদ ।।

# “জীৱন আৰু মৰণ”

**চৈয়দা জেবীন চাবীৰা শ্বাহ, নিউয়ৰ্ক**



প্ৰেমলৈ চোৱাঁ,
কেনেকৈ ই জোঁটপোট খোৱাই প্ৰেমত পৰোঁতা জনক।
প্ৰাণলৈ চোৱাঁ,
কেনেকৈ পৃথিৱীৰ সতে মিলি
ই নতুন জীৱন দিয়ে।
তুমিনো ইমান ব্যস্ত কিয়
ইটো-সিটোৰ লগত, বা
ভাল-বেয়াৰ লগত?
ধ্যান দিয়া কেনেকৈনো
সকলো মিশ্ৰিত হয়।
কিয় আলোচনা সকলো
জ্ঞাত আৰু অজ্ঞাতক লৈ,
ধ্যান দিয়া কেনেকৈ অজ্ঞাত
বিলীন হয় জ্ঞাতত।
কিয় বেলেগকৈ ভাবা
এইটো জীৱন পিছৰটোৰ পৰা,
যি ক্ষেত্ৰত এটাৰ জন্ম হৈছে পিছৰটোৰ পৰাই।
তোমাৰ হৃদয় আৰু জিভা চোৱাঁ
এখনে অনুভৱ কৰে, অথচ মূক আৰু বধিৰ!
আৰু আনখনে কথা কয় ধ্বনি আৰু ইংগিতেৰে।
চোৱাঁ পানী আৰু জুইলৈ
মাটি আৰু বতাহলৈ
শত্ৰু আৰু মিত্ৰ একেসময়তেই।
কুকুৰনেচিয়া আৰু ভেড়া
সিংহ আৰু হৰিণা
বহু দূৰৈত অথচ একেলগে।
বসন্ত আৰু শীতকালৰ ঐক্যতা চোৱাঁ,
বিষুবত প্ৰকাশিত হোৱা।
তোমালোকেও মিলা-মিচা কৰিব লাগিব মোৰ বন্ধু সকল,
যিহেতু পৃথিৱী আৰু আকাশ
মিলিত হৈছে মাত্ৰ আমাৰ বাবেই।
কুঁহিয়াৰৰ দৰে হোৱা
মিঠা অথচ নিৰব,
তিতা শব্দৰ সতে মিলিত নহ'বা।
মোৰ প্ৰিয়জন মোৰ হৃদয়ৰ পৰাই ঠন ধৰি উঠে,
ইয়াতকৈ আৰু একতা কি হ'ব পাৰে!

মাউলানা জালালুদ্দিন ৰুমিৰ
নাদিৰ খালিলীৰ ইংৰাজী অনুবাদৰ পৰা।
অসমীয়া অনুবাদ:

# বিষ


**মনীষা প্ৰজ্ঞা বৰা, গোলাঘাট**



উজাগৰী নিশাৰ
মনৰ চৌপাশে
কোলাহল,
পোৱা নোপোৱাৰ হিচাপ-নিকাচত
মনটো ভাৰাক্ৰান্ত হৈ পৰে ।
বিষ এটি উজাই আহে,
এই বিষটো
প্ৰতিজন মানুহৰে আছে ।
বিষটো আছে বাবেই
জীৱনটো চলি আছে ।
কেতিয়াবা বিষটোৰে কোঙা কৰি পেলাই
মনটোক
আকৌ কেতিয়াবা এই বিষটোৰেই জীৱন
উদযাপনৰ সৰ্বস্ব হৈ পৰে ।
বিষটো সকলোৰে আছে ।
সকলোৰে নিজা ধৰণে ইয়াক সাজি লয় ।।।

# সম্পত্তি

**সংগীতা ডেকা ৰঙিয়া**



শাহু শহুৰেকৰ অনুপস্থিতিত ঘৰখনৰ সৰু বোৱাৰীয়েকে নিজৰ বিধৱা বৌয়েকৰ বাবে, জোখতকৈ অলপ বেছি মৰম সানি ভাতৰ থালখন লৈ আনিলে। ৰুমৰ বাহিৰত দেৱৰেকে বৈ চাই আছে তেওঁ খায় নে নাখায় । তাৰ পিছত ” ভাতৰ থালখন ইমান কষ্ট কৰি কিয় আনিব লাগে ? দাইল বাতিয়ে পোনপটীয়াকৈ খাই দিও দিয়া । মোৰ সংসাৰখনত ছাইৰ বাহিৰে কিনো আছে এতিয়া ? কিন্তু দাইলখিনিৰ মাজত তো স্বপ্ন লুকাই আছে তোমালোকৰ। নহয় জানো ? কাৰোবাৰ কামত আহিব পাৰিলেই জীৱন সাৰ্থক হ'ব দিয়া চোন মোৰ । নহয় নে?”

“বৌ, কি ক'লে আপুনি? নাই, নাই মই একো কৰা নাই।”

ভয়তে থালখন পৰি গ'ল হাতৰ পৰা আৰু বাহিৰত দেৱৰেকে....

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃ সম্পাদকঃ শ্ৰী ধীৰেণ ভট্টাচাৰ্য্য সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286